63/1 (SEM–3) ASM HCC 7

**2020**

( Held in 2021 )

# ASSAMESE

Paper : CC–7

## ( Introduction to Assamese Prose and Criticism )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) *The Origin and Development of the Bengali Language* গ্ৰন্থৰ ৰচক

(i) সুকুমাৰ সেন

(ii) ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়

(iii) ৰবীন্দ্ৰনাথ ঠাকুৰ

(iv) বাণীকান্ত কাকতি

(খ) বিধৱা-বিবাহ আন্দোলনৰ নেতৃত্ব দিছিল

(i) গুণাভিৰাম বৰুৱাই

(ii) হেমচন্দ্ৰ বৰুৱাই

(iii) ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে

(iv) ৰামমোহন ৰায়ে

(গ) সমাজৰ সৌন্দৰ্যবোধৰ ওপৰত বেছি নিৰ্ভৰশীল কলাবিধ হ'ল

(i) স্থাপত্য কলা

(ii) ভাস্কৰ্য কলা

(iii) সংগীত

(iv) সুকুমাৰ কলা

(ঘ) ধৃষ্টদ্যুম্নৰ গুৰু আছিল

(i) কৃপাচাৰ্য

(ii) গৌতম

(iii) দ্ৰোণাচাৰ্য

(iv) বিশ্বামিত্ৰ

(ঙ) ব্ৰাওন চাহাবে অসমীয়া খ্ৰীষ্টিয়ানসকলৰ চিঠি কাৰ হাতৰ পৰা পাইছিল?

(i) শ্ৰীহোয়াইটিং চাহাবৰ পৰা

(ii) ব্ৰন্সনৰ পৰা

(iii) ৰবিন্সনৰ পৰা

(iv) অ'. টি. কট্টাৰৰ পৰা

(চ) 'ইলিয়াড' মহাকাব্যৰ ৰচক

(i) ডাণ্টে

(ii) হোমাৰ

(iii) শ্বেক্সপীয়েৰ

(iv) শ্যেলী

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) চাৰি আশ্ৰম কি কি?

(খ) মহাৰথী কাক বোলে?

(গ) বাণীকান্ত কাকতিয়ে তেওঁৰ পাণ্ডিত্যক কোন দুখন বহল ক্ষেত্ৰত প্ৰয়োগ কৰিছিল?

(ঘ) পৰ্টুগীজ মিছনেৰীসকলে ছপা কৰি উলিওৱা বাংলা পুথিখনৰ নাম কি? পুথিখন কিমান চনত ছপা কৰিছিল?

(ঙ) ব্ৰাওন চাহাবৰ পত্ৰত উল্লেখ থকা দেশী খ্ৰীষ্টীয়ান দুজনৰ নাম লিখা।

৩। তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) পশ্চিমীয়া সাহিত্য-সংস্কৃতি আৰু দৰ্শনৰ সংস্পৰ্শলৈ আহি বাংলা ভাষা-সাহিত্যই কি পৰিবৰ্তন লাভ কৰিছিল, চমুকৈ লিখা।

(খ) ৰুক্মিণীয়ে কৃষ্ণলৈ দিয়া পত্ৰখন কোনে পাঠ কৰিছিল? পত্ৰখনৰ কথাখিনি নিজৰ ভাষাৰে লিখা।

(গ) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটিত উল্লেখ থকা তিনি প্ৰকাৰ গুৰুৰ পৰিচয় দিয়া।

(ঘ) অৰ্জুনে কুলক্ষয় আৰু মিত্ৰদ্ৰোহ দোষৰ বাবে কি কি হয় বুলি বৰ্ণনা দিছে?

(ঙ) কৰুণ ৰসৰ উৎপত্তি কেনেকৈ হয়, লিখা।

(চ) কোনবোৰ অনাৰ্য সংস্কৃতি আৰ্য সংস্কৃতিৰ বুকুত ঠাই লৈছে, চমুকৈ লিখা।

(ছ) অসংযত করুণ ৰসৰ প্ৰকাশ কেনেদৰে হয়?

(জ) বাণীকান্ত কাকতিৰ বেদ-পুৰাণৰ আখ্যানৰ ভিত্তিত ৰচিত প্ৰবন্ধবোৰৰ বিষয়ে চমুকৈ লিখা।

(ঝ) গুৰুক সেৱা কৰিলে কি হয়, বুজাই লিখা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) "দুই ফালে দুটা মনে ধৰি টানিছে, কৰলৈকো যাবলৈ শক্তি নাই।" এই কথাষাৰ ব্ৰাওন চাহাবে পত্ৰত কিয় উল্লেখ কৰিছে, বুজাই লিখা।

(খ) ভট্টদেৱৰ গদ্যশৈলীৰ বিষয়ে এটি টোকা লিখা।

(গ) জ্যোতিপ্ৰসাদৰ সংস্কৃতি জগতখনৰ বিষয়ে আলোচনা কৰা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) "আধুনিক অসমীয়া মনক বংগৰ নৱজাগৰণৰ অধিক কাষ চপাই নিলে জোনাকী যুগৰ সাৰথিসকলে।" 'ঊনবিংশ শতিকাৰ নৱজাগৰণ আৰু আধুনিক অসমীয়া মন' পাঠটিৰ আধাৰত ওপৰৰ কথাষাৰ বুজাই লিখা।

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাৰে লিখা।

★★★